**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-02-2026
**Time :** 18-00 Hrs.

## *Assamese Evening Bulletin*

---

১।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কেইবাটাও প্ৰকল্প উদ্বোধন কৰাৰ উদ্দেশ্যে কাইলৈ অসম আগমন।
২।	ধেমাজী জিলাৰ কেইবাটাও কাৰ্যসূচীত ডাঃ ৰণোজ পেগুৰ অংশগ্ৰহণ।
৩।	নৱম অসম ৰাজ্যিক চলচ্চিত্ৰ বঁটা প্ৰাপকসকলৰ নাম ঘোষণা। *আৰু*
৪।	আজি বিশ্ব ৰেডিঅ' দিৱস। গুৱাহাটীৰ বিবেকানন্দ কেন্দ্ৰত আকাশবাণী গুৱাহাটীৰ বিশেষ অনুষ্ঠান।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কেইবাটাও প্ৰকল্প উদ্বোধন কৰাৰ উদ্দেশ্যে কাইলৈ অসমলৈ আহিব। শ্ৰীমোদীয়ে মৰাণত জৰুৰীকালীন উৰণ-অৱতৰণ কৰিব পৰাকৈ বিশেষভাৱে বিকশাই তোলা ঘাইপথত অৱতৰণ কৰিব। প্ৰায় ১০০ কোটি টকা ব্যয়সাপেক্ষে এই অত্যাধুনিক জৰুৰীকালীন অৱতৰণক্ষেত্ৰ নিৰ্মাণ কৰি উলিওৱা হৈছে। শ্ৰী মোদীয়ে প্ৰথমে চাবুৱাস্থিত বায়ুসেনা ঘাটিত উপস্থিত হ'ব আৰু তাৰ পৰা মৰাণলৈ যাব। এই জৰুৰীকালীন অৱতৰণ ক্ষেত্ৰখন বায়ুসেনাৰ কাৰণে কৌশলগত বিষয়ত বিশেষভাৱে গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। যুদ্ধ অথবা যিকোনো জৰুৰীকালীন অৱস্থাত পৰম্পৰাগত বিমান বন্দৰসমূহ অচল হৈ পৰিলে এই বিকল্প অৱতৰণ ক্ষেত্ৰ সেনাবাহিনীৰ বাবে ফলপ্ৰসূ হ'ব। ৪ দশমিক ২ কিলোমিটাৰ দৈৰ্ঘ্যৰ উত্তৰ-পূবৰ এই প্ৰথমখন জৰুৰীকালীন অৱতৰণ ক্ষেত্ৰত কাইলৈ ছুখয়-থাৰ্টি, ৰাফেল, তেজছ যুঁজাৰু বিমানৰ লগতে হাৰ্কিউলিছ আৰু এণ্টন'ভ এ এন থাৰ্টি-টু পৰিবহণ বিমানে অৱতৰণ আৰু উৰণ কৌশল প্ৰদৰ্শন কৰিব।

মৰাণৰ অনুষ্ঠান সামৰি প্ৰধানমন্ত্ৰীগৰাকী গুৱাহাটীলৈ আহিব আৰু ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰা গুৱাহাটী - উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বৰ্মা সেঁতুখন মুকলি কৰিব। ৩ হাজাৰ কোটিৰো অধিক টকা ব্যয়সাপেক্ষে এই ১ দশমিক ২-৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ দলংখন নিৰ্মাণ কৰি উলিওৱা হৈছে। এই দলংখনে উত্তৰ-গুৱাহাটীত থকা ৰাষ্ট্ৰীয় প্ৰতিষ্ঠান তথা সাংস্কৃতিক স্থানসমূহলৈ যাতায়াত সুচল কৰি তোলাৰ লগতে উত্তৰ গুৱাহাটীক মহানগৰ হিচাপে গঢ়ি তোলাত বিশেষ ভূমিকা পালন কৰিব। কাইলৈ লাচিত ঘাটত আয়োজিত অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ডº শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালো উপস্থিত থাকিব।

ooooo

ৰাজ্য চৰকাৰৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজী জিলাত কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে ধেমাজী মহাবিদ্যালয়ত শিশু শিক্ষা আৰু উৎকৰ্ষ সাধন কেন্দ্ৰৰ প্ৰেক্ষাগৃহত আয়োজিত কাৰ্যসূচীত অংশগ্ৰহণ কৰি অসম দৰ্শন আঁচনিৰ অধীনত উপাসনা স্থলীসমূহলৈ চেক বিতৰণ কৰে। এই আঁচনিৰ অধীনত ধেমাজী বিধানসভা সমষ্টিৰ অন্তৰ্গত ১৫০ টা উপাসনাস্থলীলৈ আন্তঃগাথনি উন্নয়নৰ লক্ষ্যৰে চেক বিতৰণ কৰে। এই আঁচনিৰ অধীনত উপাসনাস্থলীলৈ প্ৰথম কিস্তিৰ ধন হিচাপে ডেৰ লাখ টডডকা আগবঢ়োৱা হৈছে। লগতে মন্ত্ৰী পেগুৱে ধেমাজীত শলখবাৰী জনজাতীয় আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ধৰ্তি আবা জনজাতীয় গ্ৰাম্য উৎকৰ্ষ অভিযানৰ অধীনত প্ৰায় ৩ কোটি ৯০ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ সম্পূৰ্ণ হোৱা ল'ৰা আৰু ছোৱালীৰ বাবে মুঠ এশখন বিচনাযুক্ত দুটা পৃথক আৱাস উদ্বোধন কৰে।

ooooo

ৰাজ্য চৰকাৰৰ সাংস্কৃতিক বিভাগৰ মন্ত্ৰী বিমল বৰাই আজি নৱম অসম ৰাজ্যিক চলচ্চিত্ৰ বঁটা প্ৰাপকসকলৰ নাম প্ৰকাশ কৰে। টিংখাঙত মন্ত্ৰী বিমল বৰাই সংবাদমেলযোগে ২০২০-২১ বৰ্ষত ৰাজ্যিক চলচ্চিত্ৰ বঁটা লাভ কৰা

সাংস্কৃতিক কৰ্মী আৰু চলচ্চিত্ৰৰ নামসমূহ ঘোষণা কৰে। নৰম অসম ৰাজ্যিক চলচ্চিত্ৰ বঁটাত (বেলকনিত ভগৱান ছবিখনক ২০২০ বৰ্ষৰ শ্ৰেষ্ঠ চলচ্চিত্ৰ বঁটা আৰু ছবিখনৰ পৰিচালক বিশ্বজিৎ বৰাই ব্ৰজেন বৰা শ্ৰেষ্ঠ পৰিচালক বঁটা লাভ কৰে। ২০২১ বৰ্ষৰ শ্ৰেষ্ঠ চলচ্চিত্ৰ বঁটা লাভ কৰে **শব্দ নিশব্দ ক'লাহল** ছবিখনে। ধনজিৎ দাসে ২০২১ বৰ্ষৰ শ্ৰেষ্ঠ পৰিচালকৰ বঁটা লাভ কৰে। শংকু ৰাজকোঁৱৰ আৰু জুবলি বৰুৱাই ২০২০ বৰ্ষৰ শ্ৰেষ্ঠ কণ্ঠশিল্পীৰ বঁটা লাভ কৰে। ৰাজদ্বীপে ২০২০ বৰ্ষৰ শ্ৰেষ্ঠ গীতিকাৰৰ বঁটা লাভ কৰে। ২০২০ বৰ্ষৰ শ্ৰেষ্ঠ অভিনেতাৰ বঁটা হৰিশ খান্না আৰু শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা মন্দাকিনী গোস্বামীয়ে লাভ কৰে। অহা ২৫ ফেব্ৰুৱাৰীত কলাক্ষেত্ৰত অনুষ্ঠিত গাম্ভিয্যপূৰ্ণ অনুষ্ঠানত চলচ্চিত্ৰ বঁটাসমূহ প্ৰদান কৰা হ'ব বুলিও তেওঁ উল্লেখ কৰে। এই সংবাদমেলত অসম চলচ্চিত্ৰ বিত্ত আৰু উন্নয়ন নিগমৰ অধ্যক্ষ সীমান্ত শেখৰ উপস্থিত থাকে।

বাইট - বিমল বৰা

০০০০০

প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ছিংগাপুৰত ৰহস্যজনক মৃত্যুৰ সংক্ৰান্তত আজি কামৰূপ জিলা আৰু ছেছন আদালতত শুনানি সম্পন্ন হয়। আদালতে মূল ৩ অভিযুক্ত ক্ৰমে, শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মা আৰু শেখৰজ্যোতি গোস্বামীয়ে দাখিল কৰা পৃথক আবেদনৰ শুনানি গ্ৰহণ কৰে। উভয় পক্ষৰ যুক্তি শুনি আদালতে অভিযুক্তৰ আবেদন সন্দৰ্ভত অহা ১৬ ফেব্ৰুৱাৰীত ৰায়দানৰ দিন ধাৰ্য কৰে। আজি শুনানি প্ৰক্ৰিয়াত জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গ, ভগ্নী পামি বৰঠাকুৰ উপস্থিত থাকে। গৰিমা শইকীয়া গাৰ্গ আৰু পামি বৰঠাকুৰে ফাষ্ট ট্ৰেক আদালতৰ জৰিয়তে বিচাৰ প্ৰক্ৰিয়া সম্পন্ন কৰিবলৈ আহ্বান জনায়।

শুনানি সন্দৰ্ভত গৰিমা গাৰ্গ শইকীয়াই এনেদৰে কয়ঃ

বাইট-গৰিমা

০০০০০

আজি বিশ্ব ৰেডিঅ' দিৱস। এইবছৰৰ বিশ্ব ৰেডিঅ' দিৱসৰ মূল বিষয়বস্তু হৈছে- কৃত্ৰিম বুদ্ধিমত্তা আৰু ৰেডিঅ'। বিশ্ব ৰেডিঅ' দিৱসত এইবছৰ কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰয়োগৰ ফলত অনাতাঁৰ প্ৰচাৰণৰ ক্ষেত্ৰত আহি পৰা সুবিধা আৰু প্ৰত্যাহবান সন্দৰ্ভত আলোচনা কৰা হ'ব। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই বিশ্ব ৰেডিঅ' দিৱস উপলক্ষে শুভেচ্ছা জনাইছে। মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰেডিঅ'ৰ সৈতে শৈশৱৰ পৰা থকা স্মৃতি ৰোমন্থন কৰে।

এই দিৱসৰ সৈতে সংগতি ৰাখি আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজিৰেপৰাই পডকাষ্ট আৰম্ভ কৰিছে। এই পডকাষ্টত কেন্দ্ৰটোৰ মুৰব্বী, অভিযান্ত্ৰিক শাখাৰ উপ-সঞ্চালক প্ৰধান ৰবীন চন্দ্ৰ বড়ো আৰু সীমান্ত বাৰ্মাই অংশ লয়।

আজি বিয়লি আকাশবাণী গুৱাহাটী কেন্দ্ৰই উজান বজাৰৰ বিবেকানন্দ কেন্দ্ৰত এখন মুকলি কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰে। ৰেডিঅ' দিৱসৰ লগত সংগতি ৰাখি ৰেডিঅ' আৰু কৃত্ৰিম বুদ্ধিমত্তা শীৰ্ষক বক্তৃতানুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ তথ্য প্ৰযুক্তি বিভাগৰ অধ্যাপক ডং ৰূপম ভট্টাচাৰ্য্যই অংশগ্ৰহণ কৰে।

ইপিনে, বিশ্ব ৰেডিঅ' দিৱস উপলক্ষে আজি যোৰহাটত অৱস্থিত অসম মহিলা বিশ্ববিদ্যালয়ৰ গণ সংযোগ আৰু সাংবাদিকতা বিভাগৰ শিক্ষাৰ্থীসকলে আকাশবাণী যোৰহাট কেন্দ্ৰ পৰিদৰ্শন কৰে। বিভাগটোৰ ফেকাল্টি সদস্য আচিফ আনচাৰী আৰু গায়ত্ৰী গগৈয়ে শিক্ষাৰ্থীসকলক নেতৃত্ব দিয়ে। কেন্দ্ৰটোৰ অনুষ্ঠান বিভাগৰ মুৰব্বী বিশ্বজিৎ দাসে বিশ্ববিদ্যালয়খনৰ এই পদক্ষেপৰ শলাগ লোৱাৰ লগতে তেওঁ বিশ্ব ৰেডিঅ' দিৱস আৰু কৃত্ৰিম বুদ্ধিমত্তা সন্দৰ্ভত শিক্ষাৰ্থীসকলক অৱগত কৰে। ইয়াৰ পৰিৱৰ্তী সময়ত শিক্ষাৰ্থীসকলে কেন্দ্ৰটোৰ অনুষ্ঠান কাৰ্যবাহী খুৰচিদ আলমৰ সৈতে বাৰ্তালাপত অংশগ্ৰহণ কৰে।

০০০০০

**সমাপ্ত**